**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 25-05-2025 **Time :** 07-55 Hrs.

## Assamese Morning Bulletin

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই কালি ধেমাজি, লখিমপুৰ আৰু মাজুলী জিলাত মিছন বসুন্ধৰা ৰূপায়ণ আৰু সম্ভাব্য বান পৰিস্থিতিৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰে। তিনিওখন জিলাৰ প্ৰশাসনিক বিষয়াবৰ্গৰ সৈতে আলোচনা কৰি মন্ত্ৰীগৰাকীয়ে দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। ধেমাজী জিলা আয়ুক্ত কাৰ্যালয়ত জোনাইৰ বিধায়ক ভূবন পেগুৰ উপস্থিতিত বৈঠকত মিলিত হৈ মন্ত্ৰীগৰাকীয়ে সকলো দিশ পৰ্যালোচনা কৰে। তেওঁ মিছন বসুন্ধৰা ৰূপায়ণৰো খতিয়ান লয়।

লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত বৈঠকত মন্ত্ৰীগৰাকীয়ে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ৰাজহ বিভাগৰ গুৰুত্বপূৰ্ণ কাম-কাজৰ পৰ্যালোচনা কৰে। এই অভিযানৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে নিৰ্ধাৰণ কৰি দিয়া সময়সীমা অনুসৰি অৱশিষ্ট কামসমূহ সম্পূৰ্ণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। মন্ত্ৰী শ্ৰীমহন্তই সম্ভাব্য বান পৰিস্থিতিৰে ক্ষিপ্ৰতাৰে মোকাবিলা কৰি জনসাধাৰণক ততালিকে সকাহ দিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। বানৰ লগত মোকাবিলা কৰিব পৰাকৈ ৰাজ্য চৰকাৰ সম্পূৰ্ণৰূপে সাজু বুলি মন্ত্ৰীগৰাকীয়ে লগতে প্ৰকাশ কৰে। তেওঁ কয়, যে ধেমাজিত ৩০ জনীয়া ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বিভাগৰ দল, ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনী আৰু উদ্ধাৰকাৰ্যত ব্যৱহৃত নাও সম্পূৰ্ণৰূপে সাজু কৰি ৰখা হৈছে। বৈঠকত মাজুলী জিলাৰো সম্ভাব্য বান পৰিস্থিতিৰ প্ৰস্তুতি পৰ্যালোচনা কৰা হয়।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ জৰিয়তে আজি দিনৰ ১১ বজাত দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব মন কি বাত অনুষ্ঠানৰ ১২২ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কত প্ৰচাৰিত হ'ব। এই অনুষ্ঠান আকাশবাণীৰ ৱেবছাইট আৰু News on AIR ম'বাইল এপযোগেও শুনিব পৰা যাব। আকাশবাণী, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান পোনপটীয়া প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটিৰ ঠিক পাছতে আকাশবাণীয়ে ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

মন কী বাত অনুষ্ঠান ৰাজ্যৰ বিভিন্ন প্ৰান্তত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। বিজেপিয়ে ৰাজ্যৰ ২৯ হাজাৰ বুথত এই কাৰ্যসূচী প্ৰচাৰ কৰিব। অনুষ্ঠানৰ ঠিক পাছতে প্ৰতিটো বুথৰ পৰা ত্ৰিৰংগ যাত্ৰা উলিওৱা হ'ব। পাকিস্তানী সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সাহসেৰে যুঁজ দিয়া ভাৰতীয় সৈনিক সকলৰ মনোবল বৃদ্ধি তথা প্ৰধানমন্ত্ৰীৰ নিৰ্ণায়ক ভূমিকাক প্ৰশংসাৰ বাবে এই যাত্ৰা উলিওৱা হ'ব বুলি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই প্ৰকাশ কৰিছে।

0000000

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত তথা ডিব্ৰুগড় জিলা প্ৰশাসন, সদৌ অসম মটক সন্মিলন, সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলন, সদৌ অসম মটক মহিলা পৰিষদ, সদৌ অসম মটক ছাত্ৰসন্থা আৰু সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদৰ সহযোগত আজি ২২৩ সংখ্যক স্বৰ্গদেউ সৰ্বানন্দ সিংহ দিৱস উদযাপন কৰিবলৈ লোৱা হৈছে। চাবুৱাৰ সূৰ্য্যোদয় সংঘৰ খেলপথাৰত দিনৰ ২ বজাত হ'বলগীয়া অনুষ্ঠানৰ কাৰ্যসূচীত মুখ্য অতিথিৰূপে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰাৰ লগতে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, কৃষি মন্ত্ৰী অতুল বৰা, বিধায়ক পোনাকণ বৰুৱা আদি উপস্থিত থাকিব।

0000000

বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰী, বিশিষ্ট অভিনেতা তপন দাস আৰু অসম চৰকাৰৰ পুৰাতত্ব সঞ্চালকালয়ৰ সঞ্চালক ড০ দীপ্তি ৰেখা কুলীক মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ প্ৰফেছৰ অব প্ৰেক্টিছ হিচাপে নিযুক্তি দিয়া হৈছে। বিশ্ববিদ্যালয়খনৰ পৰিচালনা সমিতিৰ কালি অনুষ্ঠিত চতুৰ্দশ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ অনুসৰি বিশ্ববিদ্যালয় অনুদান আয়োগে প্ৰৱৰ্তন কৰা প্ৰফেছৰ অব প্ৰেক্টিছ পদৰ জৰিয়তে বিশ্ববিদ্যালয়সমূহৰ শিক্ষা, গৱেষণা আৰু সামাজিক-সাংস্কৃতিক দিশত উৎকৃষ্ট সাধনৰ প্ৰয়াস কৰা হৈছে। নিযুক্তিপ্ৰাপ্ত তিনিওগৰাকী পুৰোধা ব্যক্তিৰ বিদ্যায়তনিক আৰু সৃজনীশীলতাই বিশ্ববিদ্যালয়খনৰ শিক্ষক-শিক্ষাৰ্থীক সকলো দিশতে অনুপ্ৰেৰণা যোগাব বুলি আশা কৰা হৈছে।

0000000

ডিব্ৰুগড়ৰ আগশাৰীৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান শ্ৰুতি শিল্পী সমাজে এইবাৰো ৰাজ্যখনৰ কৃষি ভিত্তিক উৎসৱৰ লগত সংগতি ৰাখি কালি পথাৰ বিনন্দীয়া শীৰ্ষক বিশেষ বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰে। আমোলাপট্টি নাট্য মন্দিৰত অনুষ্ঠিত এই অনুষ্ঠানত প্ৰগতিশীল কৃষক শিৱসাগৰৰ কিৰণ ফুকন, ডিব্ৰুগড়ৰ নতুন ভৰালী গাঁৱৰ দীপ গগৈ আৰু মৰণোত্তৰভাৱে ডিব্ৰুগড়ৰ ৰাজগড়ৰ জয় দত্ত কোঁৱৰক পথাৰ সৌৰভ বঁটা ২০২৫ প্ৰদান কৰা হয়। তদুপৰি ছবি পৰিচালক, অভিনেতা যদুমণি দত্ত আৰু শৰীৰ চৰ্চাবিদ ত্ৰিদিপ গগৈক শ্ৰুতিছ এছিভাৰ্ছ এৱাৰ্ড প্ৰদান কৰা হয়। শ্ৰুতি শিল্পী সমাজৰ সম্পাদক চন্দন পাঠকে আঁত ধৰা অনুষ্ঠানটোত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অনুষ্ঠানসমূহৰ মুৰব্বী লোহিত ডেকা, অসম সাহিত্য সভাৰ প্ৰাক্তন আঞ্চলিক সম্পাদক ভূবন মোহন গোস্বামী, শ্ৰুতি শিল্পী সমাজৰ সভাপতি ডাঃ নৱজ্যোতি গগৈ আদি উপস্থিত থাকে।

0000000

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ প্ৰাৰম্ভিক পৰীক্ষা আজি অনুষ্ঠিত হ'ব। দেশৰ বিভিন্ন কেন্দ্ৰৰ লগতে গুৱাহাটীৰ মুঠ ২৬ টা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব। গুৱাহাটীৰ পৰীক্ষা কেন্দ্ৰসমূহত মুঠ ১০ হাজাৰ ৫৮৭ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত আৰক্ষীয়ে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত কেতবোৰ নীতি নিৰ্দেশনা জাৰি কৰিছে।

0000000

**সমাপ্ত**